জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

**নং ঃ ৪০/২০২১**

শিৱসাগৰৰ জেৰেঙা পথাৰত অহা ২৩ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হ'বলগীয়া ভূমিপট্টা প্ৰদান অনুষ্ঠানৰ প্ৰস্তুতি পৰ্বৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

# সকলো বিভাগৰ বিষয়াসকলৰ মাজত সু-সমন্বয়ৰে প্ৰস্তুতিপৰ্ব ক্ষিপ্ৰতাৰে সম্পন্ন কৰিবলৈ মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ১৯ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি শিৱসাগৰৰ জেৰেঙা পথাৰত অহা ২৩ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণেৰে অনুষ্ঠিত হ'বলগীয়া ভূমি পট্টা প্ৰদান অনুষ্ঠানৰ সবিশেষ প্ৰস্তুতিৰ বুজ লয়। জেৰেঙা পথাৰত উপস্থিত হৈ মুখ্যমন্ত্ৰী সোণোৱালে প্ৰস্তুতিৰ বিভিন্ন কাম-কাজ পৰিদৰ্শন কৰাৰ উপৰি শিৱসাগৰ জিলা প্ৰশাসন আৰু বিভিন্ন চৰকাৰী বিভাগৰ মূৰব্বী বিষয়াসকলৰ সৈতে এই সন্দৰ্ভত পৰ্যালোচনা কৰে। পৰ্যালোচনা কালত মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শিৱসাগৰ ভ্ৰমণ উপলক্ষে শিৱসাগৰ তথা ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলত আজি এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এক মহান উদ্দেশ্যৰ বাবে শিৱসাগৰৰ ঐতিহাসিক জেৰেঙা পথাৰত উপস্থিত হ'ব। সেয়েহে এই সভাখন যাতে সৰ্বতোপ্ৰকাৰে নিয়াৰিকৈ সম্পন্ন হয় তাৰ বাবে প্ৰশাসন, আৰক্ষীৰ লগতে জনসাধাৰণে দায়বদ্ধতাৰে পদক্ষেপ ল'ব লাগিব। পৰ্যালোচনা কালত মুখ্যমন্ত্ৰীয়ে এই সভাখনৰ দায়িত্বত থকা বিভিন্ন বিভাগৰ বিষয়াসকলৰ মাজত সু-সমন্বয় ৰক্ষা কৰি কাম-কাজ পৰিচালনা কৰাৰ বাবেও নিৰ্দেশ দিয়ে। ক'ভিড-১৯ ৰ সংক্ৰমণ প্ৰতিৰোধ কৰাৰ বাবে সভাস্থলিত উপস্থিত থকা সকলো জনসাধাৰণে যাতে মাস্ক পৰিধান কৰে সেইটো নিশ্চিত কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগৰ কৰ্মকৰ্তাসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে জনস্বাস্থ্য কাৰিকৰী, লোকনিৰ্মাণ, এপিডিচিএল, পৰিবহন আদি বিভাগে ৰূপায়ণ কৰা কাম-কাজৰ অগ্ৰগতিৰো বুজ লয়। প্ৰস্তুতিমূলক ব্যৱস্থাসমূহ যাতে সঠিক আৰু ক্ষিপ্ৰতাৰে সম্পন্ন হয় তাৰ বাবে যাৱতীয় পদক্ষেপ ল'বলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। উক্ত অনুষ্ঠানত আনুষ্ঠানিকভাৱে ভূমিপট্টা গ্ৰহণ কৰিবলগীয়া হিতাধিকাৰীসকলৰ আৰটিপিচিআৰ টেষ্ট কৰাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে স্বাস্থ্য বিভাগক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে প্ৰস্তুতিৰ বুজ লোৱাৰ সময়ত ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহন, সাংসদ দিলীপ শইকীয়া, ৰাজ্যসভাৰ সাংসদ কামাখ্যা প্ৰসাদ তাচা, বিধায়ক কুশল দুৱৰী, অতিৰিক্ত আৰক্ষী সঞ্চালক প্ৰধান (আইন-শৃংখলা) জি পি সিং, জিলা প্ৰশাসনৰ শীৰ্ষ বিষয়া তথা বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**ছঃহাঃ / বঃভাঃ / পুঃডেঃ**
**১৯/০১/২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in
**E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam
cmassam.prcell@gov.in